অসমীয়া

কবিতা

# ক্ৰিষ্টিনা ৰজেটিৰ কবিতা

## অনুবাদ: অভিজিৎ কুমাৰ দত্ত

**এটা জন্মদিন**

মোৰ হিয়াখন গান গোৱা চৰাই এটাৰ দৰে
যাৰ বাহটো আছে পানীৰ তলৰ গজালি এটাত;
মোৰ হিয়াখন এজোপা আপেল-গছৰ দৰে
যাৰ ডালবোৰ পূৰঠ ফলেৰে দো খোৱা;
মোৰ হিয়াখন ৰামধেনুৰ ৰং বোলাৱা শামুকৰ দৰে
যিয়ে শান্ত সমুদ্ৰত আগবাঢ়ে;
মোৰ হিয়াখন এই সকলোবোৰতকৈ উৎফুল্ল
কাৰণ মোৰ প্ৰেম মোৰ ওচৰলৈ আহিছে।

সন্মানৰ বেদীত মোক প্ৰতিষ্ঠা কৰা
সেই বেদী ৰঙচঙীয়া কৰা;
সেই বেদী কপৌ আৰু আনাৰসেৰে খোদিত কৰা
আৰু খোদিত কৰা ম'ৰা চৰাইৰ এশ চকুৰে;
তাক সোণ-ৰূপৰ আঙুৰ
পাত আৰু ৰূপালী লিলি ফুলেৰে সজোৱা।
কাৰণ মোৰ জীৱনলৈ জন্মদিন আহিল
মোৰ প্ৰেম মোৰ ওচৰলৈ বুলি আহিল।

**ক্ৰিষ্টিনা ৰজেটি** (১৮৩০-১৮৯৪) ৰোমান্টিক যুগৰ এগৰাকী ইংৰাজ কবি। তেওঁৰ কবিতাই জীৱিত কালত বৰ বেছি সমাদৰ লাভ কৰা নাছিল।